# সত্ৰীয়া ব্যৱস্থাপনাত ‘চহৰ’
# সত্ৰ আৰু শিষ্যৰ সম্বন্ধৰ এডাল এনাজৰী

**কমল দত্ত**

সাধাৰণ অৰ্থত নগৰকেই ‘চহৰ’ বোলা হয়। ইংৰাজীত ছিটি, টাউনৰ সমাৰ্থকৰূপে অসমীয়াত চহৰ, নগৰৰূপেই ব্যৱহাৰ হৈ আহিছে। অৱশ্যে হিতেশ্বৰ বৰবৰুৱা, হেমচন্দ্ৰ বৰুৱাই চহৰক গাঁও বুলি লিখিছে। নগৰত বাজে আন বসতিৰ ঠাই বুলিছে। কিন্তু সত্ৰীয়া সংস্কৃতিত চহৰৰ সংজ্ঞা তাৎপৰ্যপূৰ্ণ। ড° তীৰ্থনাথ শৰ্মাই আউনীআটী সত্ৰৰ বুৰঞ্জীত চহৰৰ সংজ্ঞা দিছে এনেদৰে— “কেইখনমান গাঁৱক গোট হিচাপে ধৰি গোটেই অসমৰ আউনীআটীৰ শিচ গাঁওবিলাকক কিছুমান সমষ্টিত বিভাজিত কৰা আছে। এনে সমষ্টি একোটাক চহৰ বোলে।” শৰ্মাৰ এই সংজ্ঞাই যদিও আউনীআটী সত্ৰৰ শিষ্যসকলকেই আঙুলিয়াইছে তথাপি সেই সংজ্ঞাৰ যোগে সত্ৰীয়া পৰম্পৰাত চহৰৰ সংজ্ঞা আৰু সাধাৰণ অৰ্থত চহৰৰ সংজ্ঞাৰ মাজত থকা পাৰ্থক্য স্পষ্ট কৰিছে। শিষ্যৰ কৰ-বৰঙণিৰ ওপৰতেই নিৰ্ভৰশীল সত্ৰসমূহত এনেদৰেই শিষ্যসকলক বিভাজিত কৰি একোখন চহৰৰ অন্তৰ্ভুক্ত কৰিছে আৰু ফলত চহৰ হৈ পৰিল সত্ৰ আৰু শিষ্যৰ সম্বন্ধৰ এডাল এনাজৰী সদৃশ।

শৰ্মাদেৱৰ সংজ্ঞাৰ যোগেদি সত্ৰীয়া পৰম্পৰাত চহৰৰ ভূমিকা যে গুৰুত্বপূৰ্ণ তাকেই প্ৰতিপন্ন কৰিছে। তেওঁৰ সংজ্ঞা অনুসৰি আহোম ৰজাই পৃষ্ঠপোষকতা কৰি যিকেইখন সত্ৰক শিচ ভজাবলৈ আজ্ঞা দিছিল সেই সত্ৰসমূহৰ প্ৰত্যেকৰেই এনেদৰে সৰু, বৰ চহৰৰ সৃষ্টি হ’ল। এইক্ষেত্ৰত আউনীআটী সত্ৰৰ নামেই প্ৰথম উল্লেখ কৰিব লাগিব। ইয়াৰ পাছতেই দক্ষিণপাট, গড়মূৰ, বেঙেনাআটী আদি সত্ৰৰ বাহিৰে অন্যান্য কিছু সত্ৰই এনেদৰে আনুষ্ঠানিকভাৱে শিচ ভজাইছিল যদিও সেই পৰম্পৰা বৰ্তমান আউনীআটী, দক্ষিণপাট সত্ৰৰ বাদে অন্য সত্ৰসমূহৰ মাজৰপৰা প্ৰায়েই নাইকিয়া হোৱাত এই লেখাত আউনীআটী সত্ৰৰ আঁত ধৰিয়েই চহৰ, চহৰ ফুৰা এই বিষয়ে সম্যক আলোচনা দাঙি ধৰা হ’ব।

মহাপুৰুষ দুজনা গুৰুৰ মাজুলীৰ ধুৱাহাট বেলগুৰিত মিলন ঘটাৰ পাছত উজনি আৰু নামনিলৈ ধৰ্ম প্ৰচাৰৰ গতি ত্বৰান্বিত হৈছিল। ইয়াৰ আগতে শংকৰদেৱ গুৰুজনাই য’তেই বাহৰ পাতিছিল ত’তেই হৰি নামৰ ধ্বজা উৰিছিল আৰু সেই ধ্বজা মাধৱ গুৰুৰ হাতত পৰি অধিক ৰূপত বিস্তৃতি ঘটিল। তেৰাসকলৰ দিনতেই মাধৱৰ গা বদলেৰে উজনিলৈ অহা কমলাকান্ত আতাই মাজুলীকে ধৰি উজনিত হৰি নাম ধৰ্মৰ বিপ্লৱ সাধন কৰিলে। হৰি নাম ধৰ্ম বিস্তাৰ, সত্ৰ প্ৰতিষ্ঠা আৰু ৰাইজক দুজনা গুৰুৰ প্ৰৱৰ্তিত ধৰ্মত দীক্ষিত কৰা মহান কৰ্ম ভাগি সেই দিন ধৰি তেৰাসৱৰ অনুগামী সন্ত-মহন্তসকলে কৰি আহিছে।

আহোম ৰজাই সত্ৰ প্ৰতিষ্ঠা কৰাৰ পাছত ৰজাৰ আজ্ঞাৰে শিচ ভজোৱা পৰম্পৰা আৰু আনুষ্ঠানিক চহৰ ফুৰা পৰম্পৰা আউনীআটীয় সত্ৰাধিকাৰ নিৰঞ্জনদেৱৰ দিনৰপৰাহে আৰম্ভ হয়। নৰিয়া ৰজাৰ দিনতে এই সত্ৰ প্ৰতিষ্ঠা হোৱাৰ পাছতে ৰাজ অনুমোদন লৈ উজনিৰ বিভিন্ন অঞ্চলত বাহৰ পাতি শৰণ-ভজন দিয়া প্ৰক্ৰিয়া নিৰঞ্জনদেৱেই সৃষ্টি কৰে। ইয়াৰ আগত বংশীগোপালদেৱ প্ৰভৃতি মহাসন্তসকলে বিভিন্ন ঠাই ফুৰি শৰণ-ভজন লগাইছিল। কিন্তু সেইসমূহ শৃংখলাবদ্ধভাৱে কৰা হোৱা নাছিল আৰু ৰাইজৰ মাজলৈ গৈ শিচ ভজোৱা উদ্দেশ্যৰেও গুৰুসকলে যাত্ৰা কৰা নাছিল। অৱশ্যে স্থান পৰিৱৰ্তন, নতুন সত্ৰ নিৰ্মাণ আৰু বিক্ষুব্ধ ৰজাৰ হাত সাৰিবলৈ পলাই ফুৰোঁতে সত্ৰ সৃষ্টিৰ লগতে বিভিন্ন ঠাইত গুৰুসকলে শিচ ভজাইছিল। এনে ঘটনা-দুৰ্ঘটনাই সত্ৰীয়া ধৰ্মৰ প্ৰচাৰ বঢ়াইছিল যদিও সেইবোৰ অৱস্থা বিপৰ্যয়ৰ পৰিণামহে আছিল। গুৰু বা সত্ৰৰ তৰফৰপৰা শিষ্যৰ ভ্ৰমণ নাছিল। সুপৰিকল্পিতভাৱে শিষ্যৰ গাঁৱত ভ্ৰমণ, যাক চহৰ ফুৰা বোলে তাৰ প্ৰথম প্ৰচলন নিৰঞ্জনদেৱে কৰিছিল। ৰজাৰ অনুমতি সাপেক্ষে সত্ৰাধিকাৰগৰাকীয়ে আনুষ্ঠানিক ৰূপত মেদেলা, তিপাম, অভয়পুৰ, মথুৰাপুৰ আদি স্থানত ঘূৰি বহু লোকক শৰণ-ভজন দিছিল।

একোখন সত্ৰই পুৰাৰেপৰা ধৰ্মীয় পৰম্পৰাৰে দেশৰ, ৰাইজৰ মংগলৰ হকে ঈশ্বৰ চিন্তা কৰা, আনফালে সামাজিক, ৰাজনৈতিক দিশতো বুদ্ধি-পৰামৰ্শ দি দেহে-কেহে সম্পৃক্ত হৈ এটি ৰাজহুৱা মঞ্চলৈ পৰিণত হ’ল। যাৰবাবে ইয়াত থাকি নিজস্ব ত্যাগ কৰি সৰ্বজনৰ বাবে আত্মোৎসৰ্গ কৰা সন্ত-মহন্ত-বৈষ্ণৱসকলৰ বাবে চিন্তা কৰাৰ দায়িত্ব ৰজাঘৰৰপৰা প্ৰজাঘৰলৈকে বিস্তাৰিত হ’ল। এইসকল লোকক চলিবৰ বাবে ৰজাই খাট-পাম-পাইক-চমুৱা দিয়াৰ লগতে ৰাইজেও প্ৰথমে শৰণ লওঁতেই কৰা বাক্য— ‘গুৰুক দিম, ভকতক দিম আৰু তাৰ পাছতহে পচা শৰীৰত দিম’ বোলা আপ্তবাক্যৰেই বন্দী হৈ গুৰুঘৰলৈ এমুঠি দি আহিছে। এনেদৰেই সত্ৰলৈ গুৰু কৰ আহিল। (সৰ্বপ্ৰথমে মাধৱদেৱে বৰপেটা সত্ৰৰ সত্ৰাধিকাৰক দুটকা গুৰু কৰ হিচাপে আগবঢ়াইছিল বুলি জনশ্ৰুতি আছে)।

সত্ৰীয়া সংস্কৃতিৰ লগত গুৰু কৰ প্ৰণালীবদ্ধভাৱে নিবন্ধ হ’ল নিৰঞ্জনদেৱৰ দিনৰপৰাহে। অৱশ্যে গুৰু কৰৰ আৰম্ভণি ঘটিছিল দামোদৰদেৱৰ দিনৰপৰাই। তেখেতে প্ৰথম সত্ৰ স্থাপন কৰোঁতেই গুৰু কৰৰ প্ৰথা প্ৰৱৰ্তন কৰে।

শুনিয়ো বৈষ্ণৱ সৱ আমাৰ বচন।  
আমাৰ পন্থৰ সাধু আছা যত জন।।  
সবে কবিৰত্নক কৰিবা সন্মান।  
ধৰ্মক কৰক যোগাইবাহা সেহি থান।।

এটা নিবন্ধনহীন পৰম্পৰাৰ প্ৰতি দুয়োপক্ষ সশ্ৰদ্ধ আছিল বাবেই ৰজাই বাৎসৰিক, নিৰ্ধাৰিত আৰু নিয়মিত গুৰু কৰ তোলাত কোনোকালেই হকা-বাধা কৰা নাছিল। গুৰুৰ গুৰিলৈ শুদা হাতে নগৈ যথা সম্ভৱ টকা-পইচা-ভাৰ-ভেটি নিয়াৰ নিয়ম সদায় চলি আহিছিল। শিষ্যৰপৰা পোৱা এনে ভাৰ-ভেটিৰে গুৰুৱে তেওঁৰ সত্ৰৰ বৈষ্ণৱসকল চলোৱাৰ লগতে ৰাজনৈতিক-সামাজিক দায়বদ্ধতাও পালন কৰি আহিছে।

সত্ৰাধিকাৰ বা ডেকাধিকাৰে চহৰ ভ্ৰমণ কালত কোনো ঠাইত তিনি-চাৰিদিনলৈকে অৱস্থান কৰে। সেইকেইদিনত প্ৰভুগৰাকীক বহু লোকে দৰ্শন পায়, অশৰণীয়াই শৰণ লয়, প্ৰভুসকলৰ মুখে ধৰ্মতত্ত্ব শুনিবলৈ সুযোগ পায়। প্ৰকৃতাৰ্থত সেইকেইদিন প্ৰভুৱে কটোৱা ঠাইখন সাময়িক সত্ৰই হৈ পৰে। প্ৰভুসকলৰ চহৰ ফুৰাই হ’ল শিষ্যমণ্ডলীৰ লগত গহন আধ্যাত্মিক সংযোগ স্থাপনৰ আটাইতকৈ ডাঙৰ সুযোগ। কিন্তু এই অনন্য পৰম্পৰা এইকেইখন সত্ৰৰ বাদে অন্য সত্ৰত পৰিলক্ষিত নহয়। সত্ৰাধিকাৰসকলৰ চহৰ ফুৰাৰ অন্তৰালৰ আন এটা উদ্দেশ্য হ’ল সত্ৰৰ শিষ্য সংখ্যা বৃদ্ধি কৰা আৰু একোটা অঞ্চলত